# ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ এছিয়া আৰু আফ্ৰিকাৰ বাবে উন্নয়ন মুলক সহযোগিতাৰ বৃদ্ধি ।

০৩ নভেম্বৰ ২০১৪

আজি ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই গাইডিঙ প্ৰিন্সিপাল অন ট্ৰাইঙ্গোলাৰ কোঅপাৰেশ্বন ফ’ৰ গ্লোবেল ডেভেলপমেন্ট  সম্বন্ধিয় এক বক্তব্যত স্বাক্ষৰ কৰে ।ভাৰতৰ হৈ কেন্দ্ৰীয় বিদেশ পৰিক্ৰমা মন্ত্ৰনালয়ৰ যুটিয়া সচিব কুমাৰ টুহিনে আৰু ইউনাইটেড ষ্টেটচ এজেঞ্চি ফ’ৰ ইন্টাৰনেশ্বনেল ডেভেলপমেন্ট (ইউএছএআইডি)ৰ মিছিয়ন ডাইৰেক্টৰ জ’ন এ বিডে বক্তব্যত স্বাক্ষৰ কৰে ।

ভাৰত–আমেৰিকাৰ পঞ্চম লানি কৌশলগত আলোচনাৰ পাচত ভাৰত–আমেৰিকা যুক্তৰাষ্ট্ৰৰ আঞ্চলিক আৰু গোলকীয় স্থিৰতা আৰু প্ৰগতিৰ ক্ষেত্ৰত অংশীদাৰিত্বৰ অৱদান লেখত লবলগীয়া । এই তথ্য সমুহে এছিয়া আৰু আফ্ৰিকাই সন্মুখিন হৈ অহা প্ৰত্যাহ্বান সমুহৰ সমাধান সূত্ৰ প্ৰস্তুত কৰাত এক বৃহত্তৰ সহযোগিতা আগবঢ়োৱাত সহায় কৰিছে আৰু এছিয়াত যোগাযোগ ব্যৱস্থা শক্তিশালি কৰাত সহযোগ কৰিছে ।

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই বিজ্ঞান,প্ৰযুক্তি আৰু কৃষি,পুষ্টিকৰ আহাৰ ,স্বাস্থ্য,পৰিস্কাৰ পৰিছন্নতা আৰু পুণৰ ব্যৱহাৰ কৰা শক্তি, মহিলা স্বশক্তিশালি কৰণ,প্ৰাকৃতিক দূৰ্যোগৰ বাবে প্ৰস্তুতিকৰণ,পানী,শৌচালয় আৰু শিক্ষাৰ অৰ্ন্তভূক্তিৰে প্ৰত্যাহ্বান থকা সকলো ক্ষেত্ৰতে সহযোগিতা আগবঢ়োৰ বাবে সন্মতি গ্ৰহণ কৰে ।

এই চুক্তিয়ে দয়োখন দেশকে ঐক্যতাৰে কাম কৰাৰ বাবে দুয়ো দেশৰ যুটিয়া প্ৰতিশ্ৰুতিক ফলপ্ৰসু কৰিব পাৰিব আৰু তৃতীয় দেশীয় নেতৃত্বক

দৃঢ়ভাৱে শিপাই থকা মুল সমস্যা সমুহৰ সমাধানৰ লক্ষ্যৰে দুয়ো দেশে যুগ্ম যোগ্যতাৰে কাৰ্য্য কৰাত সহায়ক হব ।

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ দুয়োখন দেশে তৃতীয় দেশৰ অংশীদ্বাৰৰ সৈতে অতি ওচৰ সম্বন্ধ ৰক্ষা কৰি সংস্থা সমুহ শক্তিশালি কৰাৰ বাবে আৰু যোগ্যতা নিৰ্মাণ কৰাৰ লক্ষ্যৰে সহযোগ কৰি যাব ।আফ্ৰিকা চৰকাৰলৈ, ব্যক্তিগত খণ্ড আৰু খাদ্য সংৰক্ষন আৰু মহিলা স্বশক্তিশালি কৰাৰ বিষয়ত দুয়োদেশৰ সহযোগিতা বৃদ্ধি ক্ষেত্ৰত শিক্ষা গ্ৰহণ কৰি থকা পেচাদাৰি সকলক প্ৰশিক্ষণ আগবঢ়োৱা দুয়োখন দেশৰ সহযোগিতাৰ এক প্ৰাথমিক তৎপৰতা হব ।ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ সহযোগিতাই চৰকাৰৰ নেতৃত্বত গ্ৰহণ কৰা প্ৰচেষ্টা সমুহও স্থাপন কৰিব পাৰিব আৰু এক ভাৰসাম্য থকা ফলাফল দিব পাৰিব ।

নতুন দিল্লী

৩ নভেম্বৰ ২০১৪